Bijni College Library
P.O.-Bijni, Dist.-Chirang
(B.T.A.D) Assam

**2012**

# ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) 'শৰৎ বৰ্ণনা' কবিতাংশ ক'ৰ পৰা উদ্ধৃত কৰা হৈছে?

(খ) 'তেজৰে কমলাপতি'ৰ অন্তৰ্গত 'কমলাপতি' কোন?

(গ) কমলাকান্ত ভট্টাচাৰ্যই ৰচনা কৰা কবিতা পুথি এখনৰ নাম লিখা।

(ঘ) 'জোনাকী' কাকতৰ প্ৰথম সম্পাদক কোন আছিল?

(ঙ) 'কদমকলি' পুথিখন কোনে ৰচনা কৰিছিল?

(চ) 'গঢ়া কৰি মোক ঝাড়ুদাৰ' শীৰ্ষক কবিতাটোত উল্লেখ কৰা 'বিশ্ব খনিকৰ' গৰাকী কোন?

(ছ) 'সুগন্ধি পখিলা'ৰ কবি বুলি কোনগৰাকী অসমীয়া কবিক কোৱা হয়?

Bijni College Library
P.O.-Bijni, Dist.-Chirang
Assam (B.T.A.D)

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) শঙ্কৰদেৱ বিৰচিত দুখন আখ্যানমূলক কাব্যৰ নাম লিখা।

(খ) 'মেটচিনি' আৰু 'গেৰিব্ৰল্ডি' কোন, লিখা।

(গ) 'পঞ্চভূতজাত' বুলিলে কি বুজা?

(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ দুখন কবিতা পুথিৰ নাম লিখা।

৩। নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) মাধৱদেৱৰ কবিত্ব প্ৰতিভাৰ পৰিচয় দিয়া।

(খ) কবি অম্বিকাগিৰীয়ে কিয় নিজে ঝাড়ুদাৰ হ'বলৈ ইচ্ছা প্ৰকাশ কৰিছে? তেওঁৰ মতে সমাজখন কেনেকুৱা হ'ব লাগে, লিখা।

(গ)
এনে কাৰিকৰী শিলত খটোৱা
অসভ্য আছিলনে সিজাতি সিদিন?
এই অসমৰ অসভ্য জাতিৰ
পূৰ্বৰ পুৰুষৰ হয় বা ই চিন।

কাব্যাংশটি কোনটো কবিতাৰ পৰা অনা হৈছে? কবিয়ে কি প্ৰসঙ্গত কথাষাৰ কৈছিল, বহলাই লিখা।

(ঘ)
ফুলে উতপল নক্ষত্ৰসকল
আকাশত দিল দেখা।
আৰো চাৰিকাৰ্য্য শৰতে সাধিল
শুনা দেওঁ তাৰ লেখা।।

কবিতাংশত উল্লেখ কৰা 'চাৰিকাৰ্য্য' সম্পৰ্কে আলোচনা কৰা।

(ঙ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাসমূহক কেইটা ভাগত ভাগ কৰিব পাৰি? সেই ভাগসমূহ কি কি? চমুকৈ আলোচনা কৰা।

৪। নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো তিনিটা) : ১০×৩=৩০

(ক) 'পাহৰণি' নামৰ কবিতাটিৰ যোগেদি ফুটি উঠা কবিৰ অন্তৰৰ বেদনাৰাশি উদাহৰণসহ আলোচনা কৰা।

(খ) 'শৰৎ বৰ্ণনা' নামৰ কবিতাটিত ভক্তিৰ মহত্ব প্ৰকাশ কৰিবলৈ কবিয়ে কি কি উপায় অৱলম্বন কৰিছে, আলোচনা কৰা।

(গ) ৰোমান্টিক কবিতাৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰি এটি আলোচনা যুগুত কৰা।

(ঘ) নগৰকেন্দ্ৰিক সভ্যতাৰ কুফল, বিশ্বাস ভঙ্গৰ বেদনা, জীৱনৰ প্ৰতি সংশয় আদি দিশবোৰ 'বিপ্লৱী' কবিতাটিত কবিয়ে কেনেদৰে প্ৰতিফলিত কৰিছে, আলোচনা কৰা।

(ঙ) কবি হীৰেণ ভট্টাচাৰ্য্যৰ কবি-প্ৰতিভাৰ পৰিচয় দাঙি ধৰি আধুনিক অসমীয়া কবিতাৰ এটি আলোচনা যুগুত কৰা।

(চ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত প্ৰকৃতি কেনেকুৱা ৰূপত প্ৰকাশ পাইছে, আলোচনা কৰা।

★★★